# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 23-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

শিৱসাগৰৰ ভটিয়াপাৰৰ গেছ্ নিৰ্গমন হোৱা তৈলখাদটো নিয়ন্ত্ৰণত যথেষ্ট অগ্ৰগতি লাভ কৰা গৈছে। অ' এন জি চিয়ে এটা প্ৰেছ বিজ্ঞপ্তিত এই কথা উল্লেখ কৰি কয় যে বিশেষজ্ঞ দলৰ সহযোগত অ' অন জি চিয়ে দিনে নিশাই গেছ নিৰ্গমন ৰোধৰ বাবে প্ৰচেষ্টা চলাই আছে। ইপিনে, যোৱা নিশাৰে পৰা হোৱা ধাৰাষাৰ বৰষুণৰ বাবে খাদটোত নিয়োজিত হৈ থকা বিষয়াসকল যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হয় যদিও তেওঁলোকে প্ৰবল বৰষুণকো নেওচি বিৰামহীনভাৱে কাম কৰি থাকে।

ইতিমধ্যে, গেছ নিৰ্গমনৰ চাপ ৫০ শতাংশলৈ হ্ৰাস হৈছে বুলি আজি বিয়লি ঘটনাস্থলী পৰিদৰ্শন কৰি মন্ত্ৰী যোগেন মহনে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীৰ লগতে বিজেপিৰ এটা সজাতি দলে অঞ্চলটো পৰিদৰ্শন কৰি অঞ্চলটোৰ ৰাইজৰ সৈতে মত বিনিময় কৰে। খাদটোৰ গেছ নিৰ্গমন বন্ধ হোৱা নাই যদিও অঞ্চলটোৰ ৰাইজক সম্প্ৰতি ঘৰুৱা চৌকাত ৰন্ধন কাৰ্যৰ বাবে জুই জ্বলাবলৈ সেউজ সংকেত দিয়া হৈছে।

০০০০

সাংসদ গৌৰৱ গগৈয়ে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ পৰা কাটিহাৰ আৰু আলিপুৰ দুৱাৰ মণ্ডলক পৃথক কৰি উত্তৰ পূৰ্বাঞ্চলৰ ভৌগলিক সীমাৰেখাৰ ভিতৰত এন এফ ৰে'লৱেক পুনৰগঠন কৰাৰ পোষকতা কৰিছে। আজি কোকৰাঝাৰত অসম ৰে'ল যাত্ৰী সন্থাৰ বি টি আৰ শাখাৰ এটা প্ৰতিনিধি দলে তেওঁক সাক্ষাৎ কৰাৰ সময়ত শ্ৰীগগৈয়ে এই মত প্ৰকাশ কৰে। তেওঁ কয় যে ৰে'ল সম্পৰ্কীয় বিভিন্ন বিষয় লৈ তেওঁ অচিৰেই ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰিব আৰু ৰে'লযাত্ৰীসকলৰ কেতবোৰ দীৰ্ঘদিনীয়া দাবী সম্পৰ্কত ৰে'ল মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব। তেওঁ কয় যে নতুন দিল্লীত তেওঁ ৰে'ল বোৰ্ডৰ অধ্যক্ষগৰাকীৰ সৈতেও বৈঠকত মিলিত হ'ব।

ৰে'লযাত্ৰী সন্থাৰ প্ৰতিনিধি দলটোৱে সাংসদ গৌৰৱ গগৈক প্ৰদান কৰা স্মাৰক-পত্ৰখনত কোকৰাঝাৰত ৰাজধানী এক্সপ্ৰেছকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰা, আলিপুৰ দুৱাৰ আৰু কামাখ্যা আৰু নিউ তিনিচুকীয়া আৰু ধুবুৰীৰ মাজত ইণ্টাৰচিটী এক্সপ্ৰেছৰ পুনৰ প্ৰৱৰ্তন, পদাতিক এক্সপ্ৰেছ, তিস্তা-টৰ্চা এক্সপ্ৰেছ আৰু পাহাৰীয়া এক্সপ্ৰেছক নিউ বঙাইগাঁও অথবা ৰঙিয়ালৈ সম্প্ৰসাৰিত কৰা আৰু অসমত ই এম ইউ আৰু এম ই এম ইউ শ্ৰেণীৰ স্থানীয় ৰে'লৰ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত ৰে'ল মন্ত্ৰালয়ৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ লোকসভাৰ বিৰোধী উপ-দলপতি গৰাকীক অনুৰোধ জনায়।

০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৫ খন গাওঁ পঞ্চায়তক আজি স্বচ্ছ ভাৰত অভিযানৰ অধীনত একোখনকৈ বেটেৰীচালিত জাৰৰ পৰিবাহী ৩ চকীয়া বাহন প্ৰদান কৰা হয়। বিধায়ক তৰংগ গগৈয়ে এই বাহনসমূহ বিতৰণ কৰি কয়, যে পঞ্চায়তসমূহৰ পৰা পেলনীয়া জাৰৰ সংগ্ৰহ কৰি এই এলেকাসমূহক প্ৰদূষণমুক্ত কৰাৰ উপৰি ইয়াৰ জৰিয়তে কৰ্মসংস্থাপনৰ সুযোগ দিয়াৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। বিধায়কগৰাকীয়ে আজি নাহৰকটীয়া উন্নয়ন খণ্ড কাৰ্যালয় প্ৰাঙ্গনত চাচনি-বুঢ়িদিহিং অসমীয়া মহিলা কৃষক উৎপাদন কোম্পানী এটাৰ কাৰ্যালয়ো উদ্বোধন কৰে।

০০০০

জনজাতীয় সম্প্ৰদায়ৰ লোকৰ সৱলীকৰণৰ লক্ষ্যেৰে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন ঠাইত ধৰতী আবা জনভাগিদাৰী অভিযান চলি আছে। মন্ত্ৰালয়ৰ এ এছ অ' সুধীৰ কুমাৰ যাদৱে আজি কামৰূপ জিলাৰ ৰঙিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত কেকেনীকুছি, মৰাণজানা আৰু দিপ্তেশ্বৰী গাঁও পঞ্চায়ত তথা কমলপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত গোপেশ্বৰ গাঁও পঞ্চায়তত আয়োজিত চৰকাৰৰ কল্যাণমূলক আঁচনি সন্দৰ্ভত সজাগতা শিবিৰ পৰিদৰ্শন কৰে। শ্ৰীযাদৱে হিতাধিকাৰী আৰু বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। এই অভিযানৰ অধীনত হিতাধিকাৰীসকলক আয়ুষ্মান ভাৰত স্বাস্থ্যপত্ৰ, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, প্ৰধানমন্ত্ৰী জন ধন যোজনা, ৰেচন কাৰ্ড, আধাৰ নামভৰ্তি আৰু ই-শ্ৰমত পঞ্জীয়ন আদি বিভিন্ন কল্যাণমূলক আঁচনিৰ তথ্য প্ৰদানৰ প্ৰয়াস কৰা হৈছে।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সুখচৰ থানা এলেকাৰ অধীনৰ বেপাৰীপাৰা ফেৰীঘাটত আজি বিয়লি আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এজন লোকক আটক কৰে। ধৃত লোকজন মানকাচৰৰ পূবেৰ গাওঁৰ নয়ন মিঞা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে অভিযানত ৩ হাজাৰ ২৬০ টা নিচাজাতীয় টেবলেট আৰু ১১০ টা কফচিৰাপ জব্দ কৰে। পশ্চিমবংগৰ পৰা এই মাদক দ্ৰব্যখিনি ফেৰীৰে মানকাচৰলৈ অনা হৈছিল।

০০০০

হেডিংলী টেষ্টৰ আজি চতুৰ্থ দিনা ভাৰতে দ্বিতীয় ইনিংছত ইংলেণ্ডৰ বিৰুদ্ধে প্ৰত্যাহ্বানমূলক স্কৰ কৰাৰ দিশত অগ্ৰসৰ হৈছে। কালি ২ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৯০ ৰাণৰ পৰা দ্বিতীয় ইনিংছ আৰম্ভ কৰি ভাৰতে সোনকালেই অধিনায়ক শুভমন গীলৰ উইকেট হেৰুৱায়। তৃতীয় উইকেটৰ পতনৰ পাছত উপ-অধিনায়ক ঋষভ পণ্ট বেট কৰিবলৈ আহে আৰু কে এল ৰাহুলৰ সৈতে লগ লাগি চতুৰ্থ উইকেটৰ যুটীত ভোজন বিৰতিৰ পৰলৈকে ৬০ ৰাণ যোগ কৰে। ভোজন বিৰতিত ভাৰতে ৩ উইকেটৰ বিনিময়ত ১৫৩ ৰাণ সংগ্ৰহ কৰে। ভোজন বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হয় আৰু ভাৰতে ৫ টা উইকেটৰ বিনিময়ত ৩৩৩ ৰাণ সংগ্ৰহ কৰিছে। কে এল ৰাহুলে ১৩৭ আৰু ঋষভ পণ্টে ১১৮ ৰান কৰি আউট হয়।

০০০০

সমাপ্ত